## ২০১৫ চনৰ ৬ নং অসম অধিনিয়ম

(২০১৫ চনৰ ১৮ মাৰ্চ তাৰিখে ৰাজ্যপালৰ সন্মতি প্ৰাপ্তি)

## অসম বিনিয়োজন (নং ১) অধিনিয়ম, ২০১৫

## এখন

## অধিনিয়ম

২০১৪-২০১৫ চনৰ বিত্তীয় বছৰটোৰ সেৱাৰ বাবে অসম চৰকাৰৰ একত্ৰীকৃত নিধিৰ পৰা নিৰ্দিষ্ট পৰিমাণৰ টকা উলিওৱাৰ আৰু প্ৰাধিকাৰ দিবৰ নিমিত্তে এখন বিধেয়ক ।

ভাৰত গণৰাজ্যৰ ছয়ষষ্ঠীতম্ বৰ্যত তলত উল্লেখ কৰা ধৰণে অসম বিধান সভাৰ দ্বাৰা বিধিবদ্ধ কৰা হওক।

সংক্ষিপ্ত নাম

১। এই অধিনিয়মখনক অসম বিনিয়োজন (নং ১) অধিনিয়ম, ২০১৫ বুলি কোৱা হব ।

২০১৪-২০১৫ চনৰ বিত্তীয় বছৰটোৰ বাবে অসম ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা ৩৭,১৩,৮২,০০০ টকা উলিয়াবৰ বাবে ।

২। ২০১৪-২০১৫ চনৰ বিত্তীয় বছৰটোৰ ভিতৰত অনুসূচীত (২) কলমত নিৰ্দ্দিষ্ট কৰি দেখুওঁৱা সেৱা সমূহৰ সম্পৰ্কত বিভিন্ন ব্যয় বহন কৰিবলৈ অসম চৰকাৰৰ একত্ৰীকৃত নিধিৰ পৰা অনুসূচীত (৩) কলমত বিনিৰ্দ্দিষ্ট কৰি দেখুওৱা সৰ্ব্বমুঠ সাতত্ৰিশ কোটি তেৰ লাখ বিৰাশী হাজাৰ টকা উলিয়াব ও বিনিয়োগ কৰিব পাৰিব ।

বিনিয়োজন

৩। এই অধিনিয়মৰ দ্বাৰা অসম ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা উলিয়াবলৈ প্ৰাধিকাৰ দিয়া টকা ২০১৫ চনৰ ৩১ মাৰ্চ্চত শেষ হবলগীয়া বছৰটোৰ সম্পৰ্কত অনুসূচীত দেখুওঁৱা সেৱাসমূহ আৰু উদ্দেশ্যাৱলীৰ বাবে বিনিয়োজন কৰা হব ।

### অনুসূচী

*ধাৰা ২ ও ৩ দ্ৰষ্টব্য*

| (১) | (২) | | (৩) | | |
|---|---|---|---|---|---|
| | | | সৰ্ব্বোচ্চ টকাৰ পৰিমাণ | | |
| মঞ্জুৰী নং/ বিনিয়োজন | সেৱা আৰু উদ্দেশ্যাৱলী | | বিধান সভাৰ দ্বাৰা গৃহীত | একত্ৰীকৃত নিধিৰ ওপৰত ধাৰ্য্য | মুঠ |
| | | | টকা | টকা | টকা |
| ৪ | নিৰ্বাচন | ৰাজহ | ২,৭৫,০০,০০০ | | ২,৭৫,০০,০০০ |
| | | মূলধন | | | |
| ১৪ | আৰক্ষী | ৰাজহ | ২,৯৪,৭৫,০০০ | | ২,৯৪,৭৫,০০০ |
| | | মূলধন | | | |
| ১৫ | কাৰাগাৰ | ৰাজহ | | ২৮,৪১,০০০ | ২৮,৪১,০০০ |
| | | মূলধন | | | |
| ১৯ | নিৰীক্ষণ আয়োগ আৰু অন্যান্য | ৰাজহ | ১,০০,০০,০০০ | | ১,০০,০০,০০০ |
| ৪৮ | কৃষি | ৰাজহ | ৪,৩৪,০০,০০০ | | ৪,৩৪,০০,০০০ |

| (১)<br>মজুৰী নং/ বিনিয়োজন | (২)<br>সেৱা আৰু উদ্দেশ্যাৱলী | | (৩)<br>সৰ্ব্বোচ্চ টকাৰ পৰিমাণ | | |
|---|---|---|---|---|---|
| | | | বিধান সভাৰ দ্বাৰা গৃহীত | একত্ৰীকৃত নিধিৰ ওপৰত ধাৰ্য্য | মুঠ |
| | | | টকা | টকা | টকা |
| ৬৫ | পৰ্যটন | ৰাজহ | | | |
| | | মূলধন | ২,৪৫,৩৪,০০০ | | ২,৪৫,৩৪,০০০ |
| ৭৮ | অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ কল্যাণ (বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল) | ৰাজহ | ২৩,৩৬,৩২,০০০ | | ২৩,৩৬,৩২,০০০ |
| | | মূলধন | | | |
| | | মুঠ ৰাজহ | ৩৪,৪০,০৭,০০০ | ২৮,৪১,০০০ | ৩৭,১৩,৮২,০০০ |
| | | মূলধন | ২,৪৫,৩৪,০০০ | | |
| | | সৰ্ব্বমুঠ | ৩৬,৮৫,৪১,০০০ | ২৮,৪১,০০০ | ৩৭,১৩,৮২,০০০ |

সত্যেন্দ্ৰ মল্ল বুজৰবৰুৱা,
সচিব, বিধান বিভাগ,
অসম চৰকাৰ, দিশপুৰ।

Guwahati : Printed and Published by the Dy. Director (P & S), Directorate of Ptg. & Sty. Assam, Guwahati-21.
Ex Gazette No. 123 - 100 + 300 - 19 -03 - 2015.